# অসম বিধান সভা
## তৰাবিহিন প্ৰশ্ন নং ২৬৮
## উত্তৰ দিয়াৰ তাৰিখ – ১৩/০৭/২০২৬

**বিষয়ঃ** তদন্ত সম্পৰ্কে।

শ্ৰীআফতাব উদ্দিন মোল্লা, বিধায়কঃ

মাননীয় গৃহ ও ৰাজনৈতিক বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) বঙাইগাঁও জিলাৰ সৃজনগ্ৰাম সমষ্টিৰ যোগীঘোপা আৰক্ষী চকীৰ অন্তৰ্গত কাবাইটাৰী প্ৰথম খণ্ডৰ আকবৰ আলী (৪৬) পিতাঃ ময়নাল হক, যোৱা ফেব্ৰুৱাৰী মাহৰ চাৰি তাৰিখত কাবাইটাৰী বজাৰৰ পৰা নিৰুদ্দেশ হয় আৰু ফেব্ৰুৱাৰী মাহৰ ৫ তাৰিখত যোগীঘোপা আৰক্ষী চকীত এখন এজাহাৰ দাখিল কৰা হয় যদিও আৰক্ষীয়ে আজিলৈকে নিৰুদ্দেশ হোৱা ব্যক্তিগৰাকীৰ কোনো সন্ধান উলিয়াব পৰা নাই, এই বিষয়ে চৰকাৰ অৱগত নে?

(খ) যদি অৱগত, তেন্তে ইয়াৰ বিহীত ব্যৱস্থা কিয় লোৱা হোৱা নাই? সদনত জনাব।

উত্তৰ

**মাননীয় গৃহ ও ৰাজনৈতিক বিভাগৰ মাননীয় মন্ত্ৰী মহোদয় ড° হিমন্ত বিশ্ব শৰ্মা দেৱে উত্তৰ দিবঃ**

(ক) এই বিষয়ে চৰকাৰ অৱগত। যোৱা ০৫/০২/২০২৬ তাৰিখে নিৰুদ্দেশ হোৱা ব্যক্তি আকবৰ আলীৰ পত্নী একলিমা খাতুনে যোগীঘোপা আৰক্ষী চকীত তেওঁৰ স্বামী ০৪/০২/২০২৬ তাৰিখৰ পৰা নিৰুদ্দেশ হোৱা বুলি এখন ৰিপৰ্ট দাখিল কৰে।

উক্ত ৰিপৰ্টৰ ভিত্তিত যোগীঘোপা আৰক্ষী চকীত GD Entry No. 21 Dated 05/02/2026 আৰু নিৰুদ্দেশ ব্যক্তি পঞ্জীয়ন নং ০০১৭/২০২৬ (MMR No. 17/2026) পঞ্জীয়ন কৰি অনুসন্ধান প্ৰক্ৰিয়া আৰম্ভ কৰা হয় যদিওঁ বৰ্তমানলৈকে নিৰুদ্দেশ হোৱা ব্যক্তিৰ সন্ধান পোৱা হোৱা নাই।

(খ) এই বিষয়ত অসম আৰক্ষীয়ে প্ৰয়োজনীয় আৰু তীব্ৰ আইনী ব্যৱস্থা গ্ৰহণ কৰিছে। নিৰুদ্দেশ ব্যক্তিগৰাকীৰ পৰিয়ালৰ সন্দেহ আৰু দীৰ্ঘদিনীয়া অনুসন্ধানৰ তথ্যৰ ওপৰত ভিত্তি কৰি অনুসন্ধানকাৰী বিষয়া উপ-পৰিদৰ্শকৰ এজাহাৰৰ ভিত্তিত অজ্ঞাত ব্যক্তিৰ বিৰুদ্ধে অপহৰণ, অবৈধভাৱে আৱদ্ধ কৰি ৰখা আৰু মানৱ সৰবৰাহৰ সন্দেহত 'ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতা, ২০২৩' (BNSS) ৰ ১৭৩ ধাৰাৰ অধীনত আৰু 'ভাৰতীয় ন্যায় সংহিতা, ২০২৩' (BNS) ৰ ১৪০/১২৭(২)/১৪৩ সহ-পঠিত ৩(৫) ধাৰাৰ অধীনত এক নিয়মিয়া অপৰাধমূলক গোচৰ (FIR) ৰুজু কৰা হৈছে।

অপহৃত বা নিৰুদ্দেশ হোৱা আকবৰ আলীক উদ্ধাৰ কৰিবলৈ আৰু দোষীক কৰায়ত্ত কৰিবলৈ বৰ্তমান ক্ষীপ্ৰ তদন্ত অব্যাহত আছে।

বি.দ্ৰঃ উত্তৰৰ প্ৰতিলিপি **NeVA Portal** ত **upload** কৰা হৈছে।

ঃঃঃঃঃঃঃঃঃঃঃ